উজনি অসমৰ মৰাণ, মিৰি, চুতীয়া আৰু আহোমসকলৰ মাজত ঢোলৰ ব্যৱহাৰৰ প্ৰাচুৰ্য্য অধিক দেখা যায়। ঢোল বজাই বিহুপতা আৰু হুচৰি-বিহুৰ প্ৰাচুৰ্য্যও অধিক। স্বাভাবিকতে আৰ্য্যসকলে যৌনগন্ধী গীত গাই ঢোল বজাই নচা কাৰ্য্যক আচহুৱা অনুভৱ কৰিছিল আৰু দুই-চাৰি ব্যক্তিয়ে একালত প্ৰকাশ্যে বিহু উৎসৱক নিন্দা কৰিছিল; কিন্তু তেতিয়াও এই জাতিবিলাকৰ মাজত বিহু উৎসৱ, আনকি ৰাতি-বিহুও চলি আছিল। ঢোলৰ লগত মৰাণ সকলৰো গভীৰ সম্পৰ্ক। 'মৰাণৰ মুচিয়া ঘৰত নাইকিয়া ঢোল চাই দিব কোনে?'—কথাষাৰেই তাৰ প্ৰমাণ দিয়ে। বোধকৰোঁ অষ্ট্ৰিক সংস্কৃতিৰ লগত মঙ্গোলীয় সংস্কৃতিৰ সংমিশ্ৰণে ঢোলৰ বিশেষত্ব অধিক বৃদ্ধি কৰে।

বিহু-নামত ঢোলৰ বিশেষত্ব জিলিকি পৰিছে। ঢোল-পেঁপাৰ মাত শুনিলেই গাত বিহু বিহু লাগে। সেয়ে স্বভাব-কবিয়ে বহাগৰ বিহুৱে নিজেই কাণত ঢোল লৈ অহাৰ চিত্ৰ অঙ্কন কৰিছে ঃ—

'উজাই আহিলে মাছে কি মগৰে
উজাই আহিলে শিহু;
যেতিয়া শুনিলে বিহুৱে বাতৰি
আহিলে লাখুটি ধৰি।'

ঢুলীয়া বিহুৱাক সেয়েহে সতৰ্ক কৰি কৈছে—

'ঢোলেটি বাবৰে তিনিটি আঙুলি
মাজৰে আঙুলি লৰে;
পুৰুষৰ আঙুলি যতেকে লৰিব
ততেকে জেউতি চৰে।'

# বিহুৱান

'মৰমৰ দীঘ দি  চেনেহৰ বাণি বই
হেপাহৰ আঁচুৰে বোৱা,
সপোনৰ ফুলেৰে  ফুলাম মোৰ বিহুৱান
মনেদি এবেলি লোৱা।'

ৰঙালী বিহুটি আহিল উকণ্ঠা ফাগুনৰ স্নুকণ্ডাৰে। চ'তে গই গই বহাগে পালেহি। 'বিহুৱতী চৰায়ে কৰে বিহু বিহু'—ন কুঁহি-পাতৰ মাজত বহি বনৰ বিহগে বাতৰি বিলালে হাততে মলঙি যোৱা বিহুটিৰ। অসমীয়াৰ প্ৰাণে প্ৰাণে কৰাল মাৰি থকা সোণসেৰীয়া সংস্কৃতিৰ এচুকত বিহু গীত বিহু নাচ উথলি উঠিল; বুঢ়া গৰুৰ ছালে বেবালে, বাঁহে সুহুৰিয়ালে, গগনা পেঁপাই বিৰিয়াই বিৰিয়াই বাতৰি ক'লে—চেনাইৰ চেনেহৰ।

ৰঙালী বিহু বুলিলে নহাৰ ওঁঠলৈও বিহুগীত এফাকি আহে। তাৰ বুকুতে অসমীয়া জনজীৱনৰ জীৱন নিৰ্ব্বাহৰ ধাৰাটো স্পষ্ট হৈ জিলিকি উঠে, মানুহৰ আদিম সনাতন, সেই প্ৰণয়ৰ প্ৰথম পাতনিৰ পীৰিতি গীত এফাকিয়ে ডেকা-ডেকেৰীৰ পৰাণত দোকোল টকা বানৰ অৱতাৰণা কৰে।

'ব্ৰহ্মাই সৰগা  নামৰে কঠীয়া
বিষ্ণুৱে সৰজা নাম,
বেয়া নাম গুলালে  দায় দোষ নধৰিবা
প্ৰথমে পীৰিতি গাম।'

বুলি গাৰঁৰ ডেকাই নামৰ পাতনি তৰে। তাৰ পিছত জাউৰিয়ে জাউৰিয়ে নাম গীত পদ আথৈ উফৰাদি উফৰে।

ৰঙালী বিহুৰ আটাইতকৈ চেনেহৰ সেই বিহুৱানখন লৈ বাৰু কোনে ভাল নেপায়? তাহানি কোন চেনেহীয়ে চেনাইক মৰমৰ দীঘ দি, চেনেহৰ বাণি বৈ, ফুলাম বিহুৱান দিলে, তাক লৈয়ে এখন নতুন সংসাৰৰ সৃষ্টি হয়।

'চটাই পৰেবতে ধুঁৱলী কুঁৱলী
কোনে ভাতে ৰান্ধি খায়,
মাক নাই মাউৰা তিৰি নাই বৰলা
হাতী ধৰিবলৈ যায়।'

দেহি ঐ, মাউৰা বৰলাক নো কোনে বিহুৱান এখন দিব? তথাপিযে বিহু আহে।—

'আজি বিহু বিহু কালি বিহু বিহু
আমাৰ বিহু কাপোৰ নাই
সমনীয়াই সুধিলে কমে কি এ বুলি
সক্বতে মৰিলে আই।'

মাউৰা ল'বাই মনৰ বেজাৰতে ঘৰ-দুৱাৰ এৰি হাতী ধৰিবলৈ যায় মেলা চিকাৰৰ ফান্দী হৈ।

ফাগুন গ'ল, চ'তৰ দিনত ভৰি দিলে, শিপিনীৰ গা সাতখন আঠখন হ'ল। কোনটো ফুলৰ, কেইটা কাঠিৰ, কোন পাহ ফুলে শুৱাব ভাবি ভাবিয়েই তৰণি নাই। শেষত মনেৰছা ফুল পাহকে বাছিব বুলি ঠিৰাং কৰে, কাঠিহে বহুত, কেনেকৈনো বাচিব? নাই, যেনে তেনে এপাহ বাছি চকুত লগাকৈ ফুলাম গামোছা এখন চেনাইক দিবই লাগিব, সক্ব সূতাৰ তাঁতখন লগায়। চোতাল গৰকি গৰকি তাঁতৰ কাৰণি আনে, কাৰণি বিহাত মিলে। চৌফলীয়া ৰ'দত বহি বাচ চলায়, শালত আৰে। তাৰ পিচত আহিল ফুল বছাৰ সমস্যাটো।

'তাঁতৰ দোৰে পতি লৰে ঘনে পতি
পলকত মাকোটি ঘূৰে।'

তাঁতৰ শালত নাচনিয়ে নাচে, গৰকাই উৰাদিহ নেপায়, ঘনে ঘনে ওহালি পৰে; তথাপি কেতিয়াবা মনটো উকণ্ডা উকণ্ডা লাগে চেনাইলৈ মনত পৰে।

'বহোঁ তাঁতৰ পাতত চকু আলিৰ বাটত
মাকো সৰি সৰি পৰে।'

কেতিয়াবা ফুল বাচোঁতে কেনাও লাগে। উৰা বন-দোৱা হয়। অকল কিবা সেয়ে নে?

'চতে গই গই বহাগে পালেহি
নাহৰ ফুল ফুলিবৰ বতৰ,
ফুল পানী ছিগাত ঐ ঢোলৰ মাতে শুনি
থেকেচি ভাঙি যাওঁ বতৰ।'

ঢোলৰ মাত, পেঁপাৰ মাতে মন উকৰাই নিয়ে তেতিয়া—

'ঘৰতো নৰহে মন মোৰ বান্ধে
পথাৰতো নৰহে মন,
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।'

তথাপি গামোচা বৰই লাগিব। বছৰেকৰ বিহুৰ দিনা; সেইদিনা সেই ফুলাম হাঁচতি থনেৰেই বাইজৰ মানো ধৰিব লাগিব।

'আক বেলি কৈছিলা হাঁচতি দিম বুলি
এই বেলি কাটিছা পাজি
তোমাৰে হাঁচতি আমাকো নেলাগে
ছোৱালী আনি লম কাজি।'

* * *

'এনেকুৱা হাঁচতি আমাকো নালাগে
লৈ যক শিয়ালে টানি।

* * *

'হাতে মেলি মেলি বলা ঐ আইদেউ
ভৰি মেলি মেলি বলা,
বছেৰেকৰ বিহুতে বাইজক নিদিলা
কালৈ সামৰি থলা।' ইত্যাদি।

চেনেহীয়ে গামোচা কাটি মাৰ কাঢ়িবলৈ লুইতত চিৰিপ চিৰিপ কৰি ধোৱে।

'চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলো
চিৰি লুইতলৈ চাই
চিৰি লুইততে কিৰীলি পাৰিয়ে
চেনাই নাৱে মেলি যায়।'

কোনোবা শিপিনীৰ আকৌ তাঁত-শালেই নাই। তাঁত বয় ক'ত?

'দিখৌ নৈ ইপাৰে দিখৌ নৈ সিপাৰে
কোনে দিয়ে যাব সাঁকো
কোনে দিয়ে যাব কাঠৰ দোৱেপতি
কোনে দিয়ে যাব মাকো।'

বোৱা-কটা অসমীয়া তিৰোতাৰ এৰিবনোৱৰা বস্তু। এনেই জানো কৈছে?

'অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো'
'আইদেউৰ গামোচা বাবৰি ফুলীয়া
ডিবুৰু জিলাৰে সূতা।'
'সৰু সূতাৰ চেলেংখন বৈ দিয়া সৰু ভন্টী
নলওঁ মই বিদেশীৰ কাপোৰ।'

আদি নতুন গীত ইংৰাজ অহাৰ পিছত—বজৰুৱা সূতা কিনি তাঁত বোৱা যুগৰ এনে বহুতো গীত আছে। অতি চেনেহৰ মুগাৰে মহুৰা, অতি চেনেহৰ তাঁতৰ শালখন অসমীয়া শিপিনীৰ প্ৰাণৰ বস্তু।

'সান্দেহ খুন্দি দিয়া খাওঁ প্ৰাণেশ্বৰী
চিৰা খুন্দি দিয়া খাওঁ
ৰাতিৰ ভিতৰতে কাপোৰ বৈ দিয়া
বঙাল মাৰিবলৈ যাওঁ।'

অসমীয়া শিপিনীয়ে ৰাতিৰে ৰাতিটো কপাহ ধুনি, পাজি বাটি, সূতা কাটি কাপোৰ বৈ বঙহৰ দেউক বণলৈ পঠাইছিল।

বব-কাটিব জনাটো অসমীয়া তিৰোতাৰ অৰ্হতা আছিল। বব-কাটিব নেজানিলে।

'ববও নেজানে কাটিবও নেজানে
লোকৰ শালে শালে ফুৰে।
ৰান্ধিব নেজানে বাঢ়িব নেজানে
খৰি মুঠা মুঠে পোৰে।'

বুলি যেয়ে সেয়ে কিবিলি মাৰিব।

তদুপৰি—

'ঘাহীয়াল বৰুৱাৰ পাঁচজনী জীয়েক
তাৰে সৰুজনী কাজি;
আলেঙে আলেঙে চাই থৈ আহিছো
ধৰিব নেজানে পাঁজি।'

* * *

'ভালকৈ সাঁচিবি জপাৰ বৰে কাপোৰ
ভালকৈ বাছিবি ফুল,
দেশকো তাবিবি নিজকো তাবিবি
তাবিবি আপোনাৰ কুল।'

এই ধৰণে অসমীয়া বিহুগীত, বনগীতত বোৱা-কটাৰ সুৰ শুনিবলৈ পাওঁ।

ডেকা-গাভৰুৰ প্ৰণয়াত্মক বনগীতবোৰতো বোৱা-কটাৰ বিষয়ে আমি বহুতো কথা দেখিবলৈ পাওঁ।

'মাৰে নিদিয়ে বাপেৰে নিদিয়ে
বোৱা-কটা গুণলৈ চাই,
তুমি প্ৰাণেশ্বৰী চোৱা ভালে কৰি
যৌৱন কাল ভটিয়াই চাই।'

* * *

'ধনলৈ এ বুলি গামোচা বৈছিলো
ফুলতো লাগিলে কেনা।' ইত্যাদি।

যেতিয়া মুকলি মনেৰে মুকলি ভাবেৰে ডেকা-গাভৰুৱে প্ৰাণৰ কথা ব্যক্ত কৰিছিল সেই সময়তে এই গভীৰ উচ্ছ্বাসৰ বনগীত বিহুগীত-বোৰৰ জন্ম।

জনসাহিত্যৰ বুকুখন বিশ্লেষণ কৰিলে আমাৰ জাতীয় জীৱনৰ প্ৰতিচ্ছবি দেখিবলৈ পাওঁ। অসমীয়া নাৰীৰ চেনেহৰ তাঁতশাল আৰু বোৱা-কটাৰ বিষয়ে আমি উপকক্ত গীত-মাতবোৰৰ পৰাই জানিব লাগে। বনগীত, বিহুগীতবোৰ অমূল্য সম্পদ, সোণসেৰীয়া সংস্কৃতিৰ অনুপম মাণিক আৰু মৌ মিঠা সুৰৰ অমিয়া সঙ্গীত। ইয়াতেই জাতীয় জীৱনটো নিহিত হৈ আছে।

# বিহুতলীত নাচনী

বিহুনাচ বিহুতলীৰ বিহুনামৰ আনুষঙ্গিক বস্তু। ঢোলৰ ছেৱে ছেৱে, তালৰ তালে তালে, পেঁপাৰ সুৰে সুৰে নাচনীয়ে কঁকাল ভাঙি, হাতেৰে মুদ্ৰা দি এপাক নেমাৰিলে বিহু পকিবই নোৱাৰে। খামুচীয়া কঁকালৰ গোট, চঁপাকলীয়া আঙুলি, পদুমৰ ঠাৰি যেন বাহু, কঁকিলাসজীয়া গা, বিহুনামৰ ছন্দে ছন্দে হালে জালে। ৰঙালী বিহুৰ ৰঙৰ সঁফুৰাত দেহ-মন-প্ৰাণ উটি বুৰি যায় ; প্ৰকৃতিৰ বহল বুকুত যৌৱনৰ ঢল বাগৰে। বতাহৰ বাত নাচে—গছ, লতা পাত। প্ৰকৃতিৰ লগত মানুহৰ যাউতিযুগীয়া সম্বন্ধ। সেয়েহে প্ৰকৃতিত বসন্তৰ উন্মেষ জাগিলেই ডেকা-গাভৰুৰ প্ৰাণতো অন্তৰ উপচা প্ৰণয়ৰ ঢল আহে। তাহানি পুৰণি অসমৰ মুকলিমূৰীয়া ডেকা-গাভৰুৱে বসন্তৰ বা-বতাহতে জীৱনৰ সুখ-দুখ, ব্যথা-বেদনা, অভাৱ-অভিযোগ কাটি কৰি থৈ খন্তেকলৈ হলেও অন্তৰ উদণ্ডাই গাইছিল, নাচিছিল আৰু চেনেহৰ বিনিময় কৰিছিল।

আজিৰ পৰা অতি বেছি এশবছৰৰ আগৰ কথা। অসমৰ গাঁৱে-ভুঞে ডেকা-গাভৰুৱে চ'তৰ মাহ সোমালেই ৰাতি-বিহু পাতিছিল। বহুতে হয়তো এনে ৰাতি-বিহুত অশ্লীলতা, অমাৰ্জ্জিত আচৰণ বা আদিমকলীয়া আচৰণৰ গোন্ধ পাই নাক কোচাব, কিন্তু আমি কওঁ যে বিবাহিত দম্পতীয়ে 'বলডেন্স' দিয়াতকৈ বহুত মাৰ্জ্জিত, বহুত শ্লীল আৰু বহুত বিশুদ্ধ। তাহানিৰ উন্মুক্ত জীৱনত নাছিল অত্যাচাৰ, নাছিল ব্যাভিচাৰ, আছিল প্ৰণয়ৰ গভীৰ উচ্ছ্বাস আৰু অন্তৰ উপচা আবেগ। গীতবোৰ যৌন-সংক্ৰান্ত হলেও তাত ভাষাৰ ঢাকনি আছিল। যুগৰ পিচত যুগে বাগৰ

সলাওঁতে গীতবোৰত শব্দ বিকৃতি ঘটিছে আৰু অপপ্ৰয়োগ হৈছে; বিহুনাম আৰু বনঘোষাৰ পাৰ্থক্য হেৰাই গৈছে। সভা-সমিতি বা প্ৰতিযোগিতাত গোৱা তথাকথিত শিল্পীসকলৰ চকুত চলিহাই ধৰিছে আৰু ইইঁতৰ পাৰ্থক্য বুজিব নোৱাৰি বিহুগীত বুলি বনঘোষা দুফাঁকিমান গাই শিল্পী বোলাবলৈ বা বিহুৱা বোলাবলৈ প্ৰয়াস কৰিছে।

বিহুতলীত নাচনীয়ে নাচে, ঢুলীয়াই ঢোল বজায়, পেঁপা, গগনা, তাল টকা চাপৰি বাজে। নামতীয়ে নামৰ জাউৰি তোলে।

'ব্ৰহ্মপুত্ৰৰ পাৰৰে বৰহমথুৰি এজুপি
আমিনো খৰি লুৰা ঠাই
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা
ভামোল দি মাতোতা নাই।'

ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা বৰহমথুৰি আনি চেনায়ে চেনেহীক দিয়ে। চেনেহীয়ে বৰহমথুৰিৰে ওঁঠ বোলাই টিক্-টিকীয়া ৰঙা কৰি, ওঁঠত এমোকোৰা হাঁহি লৈ জাকি মাৰি ওলাই আছে। হাতত জেতুকাৰ বোল।

'হাততো জেতুকা ভৰিতো জেতুকা
কোনে দিলে জেতুকা বাটি।'

নাচনীয়ে নাচে।

'ঢোলেটি বাবৰে তিনিটি আঙুলি
মাজৰে অঙ্গুলি লৰে,
আমাৰে নাচনী নাচিবলৈ ধৰিলে
পখিলা উৰাদি উৰে।'

বিহুৰ চেনেহত, হাততে মলঙি যোৱা বহাগৰ আকলুৱা বিহুটোতনো কাৰ ৰাক এপাক মাৰিবলৈ গা নাচি নুঠিব? নাচনী জাকি মাৰি ওলাই আছে।

‘ওপৰে উৰিলে কৰচন কণুৰা
পাখীতে পাখীখন দি
আমাৰে নাচনী নাচিবলৈ ধৰিলে
বাহুতে বাহুটি দি।’

আৰু বা কেনেকৈ ?

‘দেও দি উজালে দেও দৰিকণা
জাকি মাৰি ওলালে মোৰা,
আমাৰে নাচনী জাকি মাৰি ওলালে
সমাজৰ মাজৰে পৰা।’

নাচনীৰ সৌন্দৰ্য্য বৰ্ণনা কৰিবলৈ গৈ কৈছে—

‘নাচনীৰ বুকটো গুদাম ঐ চাৰিটা
চাৰিকো চাৰিয়ে চৰে,
নাচনীৰ মুখলৈ চাবকে নোৱাৰি
জলকীয়াই পোৰাদি পোৰে।’

* * *

‘ইটো পৰ্ব্বতত কুকুৰা কাটিলে
সিটো পৰ্ব্বতত তেজ,
নাচনীৰ মুৰতে গুটি ফুলৰ গামোছা
যেনে ম’ৰা চৰাইৰ নেজ।’

* * *

‘বিহুতলীৰ নাচনী কোন ঐ লাহৰী
বিহুতলীৰ নাচনী কোন,
বিহুতলীৰ নাচনী আমাৰ সৰুভনী
আঁচলত জিলিকে সোণ।’

নাচনী নহলে বিহু উৰুঙা, উকা। বিহুৰা চাপিল কিন্তু নাচনী নাই। তেনেতে কোনোবাই গালে—

'এইবেলি বিহুটি লৰকে ফৰকে
ওপৰে টানিলে খৰ,
বিহুৰে নাচনী নৰিয়া পৰিলে
ঢুলীয়া পৰিলে জ্বৰ।'

*   *   *

'নাচনী নৰিয়া পৰিল সমনীয়া
নাচনী নৰিয়া পৰিল,
কালিৰে পৰা ভাত নাইকিয়া
কাছুটি সুলকি পৰিল।'

কেতিয়াবা আকৌ কোনোবা নাচনীক কুহুলিয়াই থাকিলেও নেনাচে। সেই নিমিত্তে বিহুৱাই গাইছে—

'নাচ নাচ বুলিলে নেনাচ নাচনী
তোকে জানো কিহবাই পায়,
জীৱটি যাবগৈ যম ৰজাৰ থানলৈ
শৰটি শগুণে খায়।'

ঢোল, পেঁপা, তাল, টকা, গগনা, আটাইবোৰৰে সমলয়ৰ সমতা ৰক্ষা পৰিলেহে নাচনীয়ে নাচিবলৈ চল পায়।

'ঢোলৰ চেৱে ধৰি বাবি ঐ ঢুলীয়া
ঢোলৰ ছেৱে ধৰি বাবি,
খৰেকৈ নেবাবি উদাকৈ নেবাবি
নাচনীৰ ছেৱতে বাবি।'

ঢুলীয়াক এবাৰ শুনোৱাই গাব—

'ঢোলৰো নেজান ছেও মোৰ ঢুলীয়া
মৃদঙৰ নেজান ছেও,
নাচনী ছেৱকে মাৰিব নেজান
কাণে দি মাৰি যাওঁ ডেউ।'

আনহাতে আকৌ বিহুতলীত নাচনীক নেদেখি গাইছে—

'ইডালি ভলুকা কোনে কাটি নিলে
সিডালি মুকলি হ'ল,
আমাৰে নাচনীক কোনে ধৰি নিলে
বিহুতলী মুকলি হ'ল।'

বিহুনাচৰ লগত যৌন-জীৱনৰ সম্বন্ধ নোহোৱা নহয়। যৌনসম্ভৱা পৃথিৱীত শস্য কামনা কৰি আদিম কালত মানুহে উন্মুক্ত পৰিবেশৰ মাজত নাচিছিল। সেয়েহে আমি বিহুনাম নহলেও বনঘোষাবোৰত যৌন-সংক্ৰান্ত ভাষা ব্যৱহাৰ হোৱা দেখিবলৈ পাওঁ।

বিহুনাচবোৰতো ছন্দৰ মাধুৰ্য্য আৰু লয়লাস আছে। সেয়েহে মানুহে বিহুনামৰ সুৰে সুৰে নাচিবলৈ সক্ষম হয়। বিহুনাচত প্ৰকৃত কলাৰ সাঁচ পৰিছে। সেয়েহে ইয়াত আমি স্বাভাৱিক মুদ্ৰা আৰু ভঙ্গিমা দেখিবলৈ পাওঁ। বিহুনাম, নাচ আৰু বাদ্য অসমীয়াৰ জাতীয় জীৱনৰ আপুৰুগীয়া সম্পদ।

# বিহুনামত চৰাই

অসমৰ হাবি-বনত বাৰেবৰণীয়া মৌ-সনা সঙ্গীতৰ সমলয় চিৰদিন বাজি আছে। বিহগী কবিয়ে বিহগৰ কলকণ্ঠত আপোন-পাহৰা হৈ ইটো সিটোকৈ ভালেমান কবিতা আগবঢ়ালে। অসমৰ স্বভাৱ-কবিসকলৰ কাব্যিক দৃষ্টিও চিৰদিন প্ৰকৃতিমুখী আছিল। বনৰ বিহগৰ লগত মনৰ সম্বন্ধ বিচাৰি পাইছিল। সেয়েহে পীৰিতি-পগলা বিহুৱা ডেকাই মুকলিমুৰীয়া হৈ আকাশেদি উৰি যোৱা চৰাই হালি দেখি হুমুনিয়াহ কাঢ়িছিল—

'এইবেলি আহুধান
পানীয়ে মাৰিলে
ওপৰে গজিলে মামী;
উৰণীয়া চৰায়ে
উৰে যোৰে পাতি
তাৰে মান নহলো আমি।'

সমাজৰ আঁৰ-বেৰ, চাৰি সীমাৰ ভিতৰত আবদ্ধ হৈ থকা মানুহৰ মন উন্মুক্ত, বিচৰণশীল, চৰাইৰ গতি দেখি উচাপ খাই উঠাটো স্বাভাৱিক। প্ৰিয়াক কাষত বিচাৰি উদ্বাউল হৈ উঠা মনটোৱে স্বাভাৱিকতে চৰাইৰ পাখি দুটি বিচাৰে—থিতাতে উৰি যাবলৈ।

'চমকত চাবলৈ
নহওঁ মই বিজুলী
নহওঁ মই বোৱতী নৈ;

চৰায়ো নহলোঁ
উৰি গলোঁহেঁতেন
ভুকাবে পাখি লৈ।'

কালিদাসৰ বিৰহী যক্ষই বায়ু-পানী ধূলি-ধূসৰ আৰু বাষ্পৰে গঠিত মেঘত জীৱৰ সঞ্চাৰ কৰিছিল আৰু কল্পনাৰে বাতৰি পঠিয়াইছিল বিৰহী প্ৰিয়ালৈ। মেঘৰ পৰশত, মেঘৰ সান্নিধ্যত যক্ষই অনুভৱ কৰিছিল প্ৰিয়াৰ সান্নিধ্য সুখ। আমাৰ বিহুনামৰ পীৰিতি-পগলা ডেকায়ো প্ৰিয়াই গা-ধোৱা পুখুৰীত চৰাই হৈ পৰাৰ তীব্ৰ আশা পোষণ কৰিছে।

'চৰাই হৈ পৰিমগৈ
তোমাৰে পুখুৰীত
লাও হৈ লাগিমগৈ চালত।'

অসমৰ হাবি-বননিত উৰি ফুৰা চৰাইবোৰৰ সুক্ষ্ম আচৰণো কবিৰ দৃষ্টিত সাৰি যোৱা নাই। সুকীয়া সুকীয়া চৰাইৰ সুকীয়া ভঙ্গী আৰু বিশেষত্বৰ কথা ওলাই পৰিছে।

'বৰঘৰৰ মূধতে
ভঁৰালৰ টুপতে
চৰাই ফুটুকলা খায়।'

* * *

'চৰাই হালধীয়া
পাখি বিনন্দীয়া
উৰিলে পাৰলৈ নাই।'

* * *

'ওপৰে উৰিলে গঙ্গাকৈ চিলনী
পাখিয়ে নললে ঘোৰ।'

* * *

'চৰাই কপটীয়া শেন ঐ লাহৰী
চৰাই কপটীয়া শেন।'

* * *

'নলনিত কান্দিলে হেটুলুকা চৰাইটি
হেটুলুক কৰিলে বনত ;'

* * *

'বাঁহৰে আগতে কপৌ চৰাই হালি
ধেনু নেমাৰিবা টানি।'

* * *

'বৈনো বৈ কান্দিলে চাকৈ চকোৱা
বৈনো বৈ কান্দিলে জিলি।'

* * *

'কুহু কুহু কৰি কপৌটি কান্দিলে
ডাউকে কান্দিলে বৈ।'

* * *

'চৰাইলৈ বুলি চিটিকা পাতিলোঁ
দৰিকলৈ পাতিলোঁ জাঙী।'

* * *

'তোমাৰে মাতেবাৰি কুলিৰে মাত যেন
মাতেৰে মুহিলা মোক।'

* * *

'বাঁহৰে আগতে পৰি কামে চৰাই
উভতি কোটালে পাখি।'

* * *

'ঢাপতে মাৰিলোঁ ঢাপলিকা চৰাইটি
পৰ্ব্বতত মাৰিলো টুনি।'

* * *

'ওপৰে উৰিলে কৰচন কন্নুৱা
তাৰ লগত উৰিলে বগ।'

* * *

'কাউৰী শতুৰু মুগাকৈ চুণ্ডীয়া
পৰিব নিদিয়ে ডালত।'

* * *

'শালিকী চৰায়ে কিৰিলি মাৰিলে
গছৰ গুটি খাবলৈ পায়।'

* * *

'দহিকতৰা চৰায়ে পীৰিতি কৰিলে
তৰাৰে গছতে পৰি।'

* * *

'হাঁহে বাটে বুলে লুডুৰে পুডুৰে
পাৰই বাটে বুলে ৰই।'

* * *

'কুকুৰা কুকুৰা অজাতি কুকুৰা
ভুকুৱাই মাৰিমে তোক।'

* * *

'লাহতে ধৰিলে মৌপিয়া চৰায়ে
ডালত কটালিলে পাখি।'

* * *

'ৰৰঘৰৰ মূধতে কপৌ কুকলিয়াই
লাইলাখ মদনৰ মাত।'

* * *

'বগৰীৰ ডালতে কপৌটি বিনালে
ঠেও ধৰি বিনালে কুলি।'

* * *

'বগাকৈ বগলী উৰে জাকি মাৰি
পাখিতে লগালে পাখি।'

* * *

'উৰিকৈ পৰ্ঘুমা ঘূৰিয়ে পৰিলে
গুজৰি ৰবে দেও।'

* * *

'দবিয়াই উৰিলে ডাউক ঐ লাহৰী
বালি পাই উৰিলে বগ।'

কেতিয়াবা কিবা পাকত একো একোজনী চৰাইৰ মাত স্মৃতিৰ সাক্ষী হৈ ৰয়। কুলিৰ মাত শুনি বসন্তৰ পুৰণি স্মৃতিলৈ নতুন সজীৱতা নামি আহে। কপৌৰ মাতটো মদনৰ কামবাণত জৰ্জ্জৰিত ডেকা-গাভৰুৰ কাণত সেয়েহে মদনৰ মাত যেন লাগে—

'ৰবঘৰৰ মূধতে কপৌ কুকলিয়াই
সাইলাখ মদনৰ মাত;
খেদি দে খেদি দে অজাতি কপৌ ঐ
শৰণ খেৰ মাৰি দে গাত।'

ৰবঘৰৰ মূধত চৰায়ে ফুটুকলা খোৱা দৃশ্যটোৱে প্ৰেমিকৰ বুকুৰ কথাষাৰো প্ৰকাশ কৰিছে—

'ৰবঘৰৰ মূধতে ভঁৰালৰ টুপতে
চৰাই ফুটুকলা খায়;
মোৰ জানো মনতে পৰে ঘনে ঘনে
তোমাৰ জানো মনতে নাই।'

# বিহুনাম বিচাৰি

১৯৫৬ চনৰ কথা। লোক-সাহিত্য, বিশেষকৈ লোকগীত সংগ্ৰহ কৰিবৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে এটা বৃত্তি দিছিল। সেই সংক্ৰান্তৰ কামত উজনি অসমৰ ভালেমান আওহতীয়া ভিতৰুৱা গাঁও-ভূঁই গৰকি বাৰে-বৰণীয়া অভিজ্ঞতা বুটলিবলৈ সুযোগ ওলাইছিল। বিশ্ববিদ্যালয়ৰ বৰীয়া কাম কৰাৰ লগতে বিহুনাম আৰু মণিৰাম দেৱানৰ মালিতা সংগ্ৰহ কৰাৰ কামো কৰি গৈছিলোঁ। এইবোৰৰ অভিজ্ঞতা বিচিত্ৰ। অভিজ্ঞতাৰ পাতলিত থকা চৰিত্ৰবোৰো বিচিত্ৰ। সেই সময়ত লগ পোৱা কেইবাজনো আঁঠুৱে-থুঁতবিয়ে লগা বুঢ়াৰ হাড়ত ইতিমধ্যে বন গজিছে। তেওঁবিলাকৰ নাম-গাঁও এই প্ৰসঙ্গত উল্লেখ নকৰি কাহিনী কেইটাকে কৈ যাওঁ।

মাঘ মাহৰ শেহৰ পিনৰ কথা। ৰাতিটো এজন সাহিত্যিক বন্ধুৰ ঘৰত কটাই নিচেই পুৱাতে বুঢ়াৰ ঘৰলৈ বাট ললোঁ। জাৰ তেতিয়াও যথেষ্ট আছিল। এটা পুৰণি বজাদিনীয়া বাটৰপৰা দীঘলীয়া পদূলি এটাইদি সোমাই গলোঁ। বাটৰ দুয়োকাষে হাউলি থকা জাতি-বাঁহবোৰৰ পাতৰপৰা বৰ ঘনকৈ নিয়ৰৰ টোপাল সৰিছিল। পদূলি পাৰ হৈ বহল চোতালখন গৰকি মানুহ-ঘৰত সোমালোঁ। অলপ আগতে ভালেমান বুঢ়া-বুঢ়ী মানুহ ঘৰৰপৰা ওলাই গৈছিল। ঘৰত সোমায়েই গম পালোঁ ৰাতি-খোৱা সম্প্ৰদায়ৰ পূৰ্ণসেৱাৰ 'বৰসেৱা' হৈছিল। ঘৰৰ গৃহস্থৰ বয়স তিনকুৰি দহ বছৰমান হব। তাহানিৰ ফৰ্থ ক্লাছলৈকে পঢ়ি বাগিছাত মহৰী কাম কৰিছিল। সাধাৰণতে চাহাবক কৰলগীয়া কথাৰ ইংৰাজী ভালকৈ কব পাৰে। ৰাতি সেৱাৰ ঘাই বস্তু ফেৰা পান কৰি থকা বাবে মুখখন পাতল হৈ আছিল আৰু মোৰ লগত কথা পাতিবলৈ আৰম্ভ কৰাৰ লগে লগে ইংৰাজী শব্দ আখৈ

ওফৰাদি উফৰিছিল। মোৰ লগত যোৱা বন্ধুজনে চিনাকি দিওঁতে ক'লে—"এখেত গুৱাহাটী ইউনিভাৰ্চিটিৰ ফ'কল'ৰ বিভাগৰ ৰিছাৰ্চ স্কলাৰ।" বুঢ়াই ক'লে—"হুঁ, এই পুৰণি গীত-মাতবোৰক ইংলিচত কি বোলে?" মই কলোঁ—"ফ'কল'ৰ।" বুঢ়াই আকৌ আখৰ জোঁটনি ভাঙি সুধিলে—"এফ-অ'-কে-ই (Foke) নে এফ-অ'-কে (Fok) ফ'ক?" মই হাঁহি হাঁহি কলোঁ—"এফ-অ'-এল-কে (Folk) ফ'ক।" সেই বেলি বুঢ়াই এটা ডাঙৰ ভুল ধৰা পেলোৱাৰ বিজয় উল্লাসেৰে ক'লে—"এফ-অ'-এল-কে ফ'ক কেলেই হ'ব, ফ'লক।" মোৰ হাঁহি উঠিল। কিন্তু অতি বিনয়েৰে কলোঁ—"আমি ফ'ক বুলি উচ্চাৰণ কৰোঁ।" তেতিয়া বুঢ়াই কোন কোন চাহাবৰ লগত ইংৰাজীৰে কথা পাতিছিল তাৰ এখন তালিকা দিলে। কথাৰ পাক সলাই মই ক'লোঁ—"পিছে তাহানি ডেকাকালত বাতি-বিহু পাতিছিল নহয়, বিহুনাম ছুটামান গাওকচোন।" বহুত অতীতলৈ উলটি গলেও বুঢ়াৰ পুৰণি স্মৃতিলৈ নতুন সঞ্জীৱতা আহিল। বুঢ়াই গভীৰ উচ্ছ্বাসেৰে ক'লে—"নাম গাই গাই পাগলী কৰি মই ল'ৰাহঁতৰ মাকক বিহুতলীৰ পৰাই পলুৱাই আনিলোঁ।" বুজিলোঁ—পোন প্ৰথম ইংৰাজী শিক্ষাৰ বতাহ লাগিলেও বুঢ়াই ডেকা-জীৱনত জীৱনৰ দাবী উলাই কৰিব পৰা নাছিল। পঢ়া এৰি বিহুতলীলৈ ঢাপলি মেলোঁতে এদিন বোৱাৰী লৈ ঘৰ সোমাইছিলহি। তাৰ পাচত পঢ়া সাং। বাগিছাত হাজিৰা মহৰী। বুঢ়াই ক'লে—"বোপাই, এতিয়া পাহৰিছোঁ। তেতিয়া নামৰ পাকত পৰি কেইজনীৰ মনত পাক-ঘূৰণি লাগিছিল মইহে জানেঁ।" তাৰ পাচত বুঢ়াই এটা এটাকৈ ভালেমান কেইটা পুৰণি পীৰিতিৰ কেঁচা গোন্ধ থকা বনঘোষা গাই গ'ল। শেষত পুতেক-বোৱাৰীয়েকহঁত আঁতৰি পলাবলগীয়া হ'ল। বুঢ়ীয়ে চাগৈ ভাবিছিল এইটো ক'বপৰা আহি বাতিপুৱাই গুলাই বুঢ়াটোক বলিয়া কৰিলেহি। ভালেমান কেইফাঁকি বিহুনাম

আৰু মণিৰাম দেৱানৰ গীত সংগ্ৰহ কৰি দহমান বজাত উলটি আহিলোঁ। কাণত বাজি থাকিল—এফ-অ'-এল-কে-ফ'লক।

চ'ত মাহৰ কথা। ৰাতি গৈ ওচৰৰ বাগিছা এখনৰ কৰ্ম্মচাৰী এজনৰ ঘৰত আলহী আছিলোঁ। ওচৰৰ গাওঁ এখনত ৰাতি-বিহু হৈছিল। তাহানিৰ ৰাতি-বিহু নহয়, বিহুৰ আখৰাহে। ৰাতি যথাসময়ত শুলোঁ। দিনটোয়া পৰিশ্ৰমৰ অৱসাদত সোনকালেই টোপনি আহিছিল। কিন্তু বিহুনামৰ পাচত মৰা দীঘলীয়া, গা-বাইজাই কৰা উকিটোত টোপনি ভাগি গ'ল। বিহুনামটো যেন বৰ ৰসাল আছিল, মই শুনিবলৈ নাপালোঁ এনে এটা আক্ষেপ সৃষ্টি হ'ল। কিন্তু উকিটোৰ প্ৰতিধ্বনি মাৰ যাওঁতে-নাযাওঁতেই আন এটা বনঘোষাই মোৰ সিৰা উপসিৰাবোৰ আকৌ জগাই দিলে—

'তোমাৰে ঢাপতে কলাপাত কাটিলোঁ
আগলি আগলি চাই;
বিহুৰে তলীতে তোমাক বাছি ললোঁ
কঁকাল খামুচীয়া পাই।'

কোন অচিনাকি বাটৰুৱাই চিনাকি লগবীয়া বাছি ললে কব নোৱাৰিলোঁ, কিন্তু মই তেতিয়াই উঠি গীতফাঁকি টুকি থলোঁ।

পিচদিনা দেওবাৰ। চাহ-বাগিছাৰ পুৰণি চিনাকি সাহিত্যানুৰাগী বন্ধু এজন লগত লৈ আগতে পম খেদি খেদি গম পোৱা এগৰাকী বুঢ়ী মানুহৰ ওচৰলৈ বাট ললোঁ। বাগিছাৰপৰা গাঁওখনলৈ ডুমাইল কি আঢ়ৈ মাইল। হাবিতলীয়া সুৰুকীয়া বাট, আলি নাই। হাবিৰ মাজে মাজে ওখ ওখ টিলাইদি বাটটো। হাবি পাৰ হৈ গাওঁখনৰ পথাৰখন। পথাৰখনৰ ওখ ওখ বকিয়াই দি ঘূৰি-পকি গৈ গাওঁখন পালোঁ। মানুহ কুৰি ঘৰমান হব। এতিয়াও বাহিৰৰ বতাহে গাওঁখন কলুষিত কৰিব পৰা নাই। কেইবাঘৰো মানুহৰ চোতাল গৰকি আমি বিচৰা মানুহ ঘৰ পালোঁগৈ।